# 2026

# HISTORY

## ( Major )

Paper : HIS0600304

**[ Social and Economic History of Assam (up to 1947 CE) ]**

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

*Answer* either *in English* or *in Assamese.*

1. Answer the following questions : 1×8=8

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* Who originally issued the Nidhanpur copper plates?

নিধানপুৰ তামৰ ফলি পোনতে কোনে জাৰি কৰিছিল ?

*(b)* What were Brahmottar lands?

ব্ৰহ্মোত্তৰ ভূমি কি ?

(c) Which occupation were the Lekhakas related to?

লেখকসকল কি বৃত্তিত জড়িত আছিল ?

(d) Who were the Devadasis?

দেৱদাসীসকল কোন আছিল ?

(e) Who was the owner of the soil in ancient Assam?

প্ৰাচীন অসমত মাটিৰ গৰাকী কোন আছিল ?

(f) Name the class connected with the washing of gold in Assam.

অসমত সোণ কমোৱা কাৰ্যত জড়িত শ্ৰেণীটোৰ নাম লিখা ।

(g) In which year did the British abolish slavery in Assam?

ব্ৰিটিছে অসমত কোন চনত দাসপ্ৰথা বিলোপ কৰে ?

(h) Name the British merchant who first came to know the existence of tea in Assam.

অসমত চাহ গছৰ উপস্থিতি সম্পৰ্কে অৱগত হোৱা প্ৰথম ব্ৰিটিছ ব্যৱসায়ীজনৰ নাম লিখা ।

2. Answer any *six* of the following questions : 2×6=12

তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) Name any two professional classes of ancient Assam.

প্ৰাচীন অসমৰ যি কোনো দুটা বৃত্তিশীল শ্ৰেণীৰ নাম লিখা।

(b) What do you mean by 'Kshetra' and 'Khila' land?

'ক্ষেত্ৰ' আৰু 'খিলা' ভূমি বুলিলে কি বুজা?

(c) What was 'chapania marriage' system?

'চপনীয়া বিবাহ' ব্যৱস্থা কি আছিল?

(d) What were 'Kar' and 'Katal'?

'কৰ' আৰু 'কাতল' কি আছিল?

(e) What do you understand by the 'Bebejia Khel'?

'বেবেজীয়া খেল' বুলিলে তুমি কি বুজা?

*(f)* What were the occupations of the Kumbhakaras and the Tantuvayas?

কুম্ভকাৰ আৰু তন্তুবায়সকলৰ বৃত্তি কি আছিল?

*(g)* What were 'Drona' and 'Nala'?

'দ্ৰোণ' আৰু 'নল' কি আছিল?

*(h)* What were the two groups of the Muslims in medieval Assam?

মধ্যযুগীয় অসমৰ মুছলমানসকলৰ দুটা ভাগ কি কি আছিল?

*(i)* What was the name of the first Assamese newspaper? In which year was it published?

অসমীয়া ভাষাৰ প্ৰথম বাতৰিকাকতখনৰ নাম কি? কোন চনত এইখন প্ৰকাশিত হৈছিল?

*(j)* In which year was the Assam Sahitya Sabha formed? Who was its first president?

অসম সাহিত্য সভা কোন চনত গঠিত হৈছিল? ইয়াৰ প্ৰথম সভাপতি কোন আছিল?

3. Write short notes on any *four* of the following : 5×4=20

তলৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা :

(a) Varnashrama in ancient Assam

প্ৰাচীন অসমত বৰ্ণাশ্ৰম

(b) Vaishnavism in ancient Assam

প্ৰাচীন অসমত বৈষ্ণৱ ধৰ্ম

(c) Widow re-marriage in medieval Assam

মধ্যযুগীয় অসমৰ সমাজত বিধৱা বিবাহ

(d) Posa system

পচা ব্যৱস্থা

(e) Four Samhatis

চাৰি সংহতি

(f) Nobility in medieval Assam

মধ্যযুগীয় অসমৰ সম্ভ্ৰান্ত শ্ৰেণী

*(g)* Jonaki era

জোনাকী যুগ

*(h)* Development of Petroleum Industry in Assam

অসমত পেট্ৰ'লিয়াম উদ্যোগৰ বিকাশ

**4.** Answer any *two* of the following questions : 10×2=20

তলৰ যি কোনো দুটাৰ উত্তৰ কৰা :

*(a)* Write a note on the trade relations between ancient Assam and other States of India.

ভাৰতৰ অন্যান্য ৰাজ্যৰ সৈতে প্ৰাচীন যুগত অসমৰ বাণিজ্যিক সম্পৰ্কৰ বিষয়ে এটি টোকা লিখা।

*(b)* Discuss the significance of the 'Paik' and 'Khel' systems in medieval society in Assam.

মধ্যযুগীয় অসমৰ সমাজত 'পাইক' আৰু 'খেল' ব্যৱস্থাৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

*(c)* Discuss the role played by Sankardev in the spread of neo-Vaishnavism in Assam.

অসমত নৱ-বৈষ্ণৱবাদৰ প্ৰসাৰত শংকৰদেৱৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(d) Discuss the rise of middle class in colonial Assam.

ঔপনিৱেশিক অসমত মধ্যবিত্ত শ্ৰেণীৰ উত্থান সম্পৰ্কে আলোচনা কৰা।

(e) Write an essay on the development of Tea Industry in Assam.

অসমত চাহ উদ্যোগৰ বিকাশ সম্পৰ্কে এখনি ৰচনা লিখা।

★★★